**অর্জুন সিং ওৰফে পুৰাণ**

**বনাম**

**কৰ্টাৰ সিং আৰু অন্যান্য**

**(মহামান্য ন্যায়াধীশ ছৈয়দ ফজল আলী, মহামান্য ন্যায়াধীশ মুখাৰ্জী আৰু মহামান্য ন্যায়াধীশ চন্দ্ৰশেখৰ আয়াৰৰ বিচাৰপীঠত)**

**মহামান্য ন্যায়াধীশ চন্দ্ৰশেখৰ আয়াৰ** : বাদী অৰ্জুন সিঙ ওৰফে পুৰাণে জুল্লুন্দুৰৰ নিম্ন আদালতৰ ন্যায়াধীশৰ আদালতত ইন্দৰ সিং, কৰ্টাৰ সিং, আৰু অতিৰিক্ত পাঁচজন ব্যক্তিৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰিছিল। অৰ্জুন সিঙে আদালতক নিৰ্দেশ দিবলৈ অনুৰোধ জনাইছিল যে ১৪ বছৰ পূৰ্বে ইন্দৰ সিঙে কৰতাৰ সিঙৰ সপক্ষে কৰা উইল বৈধ নহয়। অৰ্জুন সিঙে ইন্দৰ সিঙৰ মৃত্যুৰ পিছত নিজকে উত্তৰাধিকাৰী (reversionary heir) বুলি দাবী কৰে আৰু তেওঁৰ মতে ইন্দৰ সিঙে কৰা উইলখনে তেওঁৰ উত্তৰাধিকাৰীত্বৰ অধিকাৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। এই আৰ্জীত কদ্দুৱাল গাঁৱৰ ৩৯৫ কানাল জোখৰ মাটিৰ আধা অংশ, পট্টৰ কালান গাঁৱৰ ৮৩৭ কানাল আৰু ১১টা মৰলা জোখৰ আন আধা অংশ আৰু পট্টৰ কলন গাঁওৰ চাৰিটা ঘৰৰ বিষয়ে উল্লেখ কৰা হৈছিল।পক্ষসমূহৰ সম্পৰ্ক দেখুওৱা আৰ্জীৰ সৈতে সংলগ্ন বংশবৃক্ষত বাদীয়ে ছেহজা সিঙক তেওঁৰ চতুৰ্থ প্ৰজন্মৰ পূৰ্বপুৰুষ বুলি দাবী কৰিছে। যোধা সিং আৰু জয় সিংহক ছেহজা সিঙৰ পুত্ৰ হিচাপে দেখুওৱা হৈছে। ১ নং বিবাদী ইন্দৰ সিং জোধা সিঙৰ নাতি। অভিযোগ উত্থাপন হৈছে যে পক্ষসমূহ জাট কৃষিজীবি আছিল আৰু এই ব্যক্তিসকলে পূৰ্বপুৰুষৰ সম্পত্তি আৰু উত্তৰাধিকাৰ হস্তান্তৰ সন্দৰ্ভত

প্ৰথাগত আইন মানি চলিছিল। এই আইন অনুসৰি পুত্ৰহীন ব্যক্তিয়ে তেঁওৰ ৫ম প্ৰজন্মলৈকে আত্মীয় থাকিলে (collaterals up to 5th degree অৰ্থাৎ যিসকল আত্মীয় প্ৰত্যক্ষ পূৰ্বপুৰুষ বা বংশধৰ নহয় কিন্তু পাঁচটা প্ৰজন্মৰ ভিতৰত এক সাধাৰণ পূৰ্বপুৰুষৰ অংশীদাৰ), নিজৰ পূৰ্বপুৰুষৰ সম্পত্তি সম্পৰ্কে উইল বনাবলৈ কৰ্তৃত্বশীল নহয় আৰু যিহেতু আৰ্জিত উল্লেখ কৰা মতে সকলো সম্পত্তি পূৰ্বপুৰুষৰ আছিল, গতিকে দ্বিতীয় বিবাদীয়ে তেওঁক প্ৰথম বিবাদীয়ে তুলি লোৱা বুলি দাবী কৰিলেও দ্বিতীয় বিবাদীৰ সপক্ষে প্ৰথম বিবাদীয়ে বনোৱা উইলখন বৈধ নহয় আৰু ইয়াৰ কোনো আইনী প্ৰভাৱ নাই। বাদীজনৰ জন্ম হৈছিল ১৯১৯ চনৰ ২২ জুলাইত আৰু উইল কৰাৰ সময়ত তেওঁ নাবালক আছিল, গতিকে গোচৰটো আইনী অনুমোদিত সময়সীমাৰ ভিতৰত দাখিল কৰা হৈছিল বুলি গণ্য কৰা হয়। এই গোচৰৰ মূলতঃ বিৰোধিতা কৰিছিল দ্বিতীয়জন বিবাদী কৰ্টাৰ সিঙে। কৰ্টাৰ সিঙে তেওঁক তুলি লোৱা হৈছিল বুলি উল্লেখ কৰি যুক্তি দিছিল যে প্ৰশ্ন উত্থাপিত সম্পত্তিবোৰ বাদীজনৰ পূৰ্বপুৰুষৰ নহয়। বিবাদী পক্ষৰ ৩নম্বৰৰ পৰা ৭ নম্বৰ সাক্ষী আদালতত হাজিৰ হোৱা নাছিল।

গোচৰৰ বিচাৰকালিন সময়ত এইটো স্বীকাৰ কৰা হৈছিল যে কদ্দুৱালৰ মাটিখিনি পূৰ্বপুৰুষৰ বুলি প্ৰমাণিত হোৱা নাছিল। নিম্ন আদালতৰ ন্যায়াধীশে এই সিদ্ধান্তত উপনীত হয় যে বাদীয়ে দাখিল কৰা প্ৰমাণে পট্টৰ কলনৰ মাটিখিনিও পূৰ্বপুৰুষৰ বুলি প্ৰমাণ কৰাত ব্যৰ্থ হৈছিল কাৰণ বিচাৰৰ সময়ত দেখা গ’ল যে উমৈহতীয়া পূৰ্বপুৰুষ ছেহজা সিঙৰ যোধা সিং আৰু জয় সিং নামৰ দুজন পুত্ৰই নহয়, পোহলো নামৰ তৃতীয়জন পুত্ৰও আছিল। গতিকে, ন্যায়াধীশে এই সিদ্ধান্তত উপনীত হ’ল যে দুয়োজন পুত্ৰৰ (যি

দুজন পুত্রৰ বিষয়ে মানুহে জানিছিল) মাজত মাটিৰ সমান ভাগ-বতৰাই সেই সম্পত্তি পূৰ্বপুৰুষৰ বুলি বুজাব নোৱাৰে। কাৰণ তৃতীয় পুত্ৰৰ অংশৰ বিষয়ে তথ্য নাছিল। তেওঁ বাদীক তুলি লোৱা বিষয়ৰ ক্ষেত্ৰত আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰিব পৰা সময়সীমাৰ সন্দৰ্ভত বাদীৰ পক্ষত সিদ্ধান্ত লৈছিল। কিন্তু ন্যায়াধীশে এইটোও ৰায় দিয়ে যে বাদীজনৰ তেওঁক তুলি লোৱাৰ বৈধতাক প্ৰত্যাহ্বান জনাব পৰাকৈ আইনী স্থান (locus standi) নাছিল কাৰণ এনে প্ৰত্যাহ্বানৰ আইনী অনুমোদিত সময়সীমা বাদী জন্মৰ বহু আগতেই উকলি গৈছিল। ফলস্বৰূপে গোচৰটো খাৰিজ কৰা হৈছিল।

বাদীয়ে জিলা ন্যায়াধীশৰ আদালতত আপীল দাখিল কৰিছিল। তেওঁ অৰ্ডাৰ এক্সএলআই, ৰুল ২৭ আৰু দেৱানী কাৰ্য্যবিধিৰ ১৫১ ধাৰাৰ অধীনত অতিৰিক্ত প্ৰমাণ দাখিল কৰাৰ অনুমতিৰ বাবে আবেদন দাখিল কৰিছিল। বাদীয়ে বিচাৰৰ বাবে প্ৰমাণ হিচাপে এটা নথি অৰ্থাৎ মৌজা পট্টৰ কালামৰ সৈতে জড়িত "কামি বাছি" অন্তৰ্ভুক্ত কৰিব বিচাৰিছিল। দাবী কৰা হৈছিল যে বিচাৰৰ সময়ত বাদীয়ে এই নথিখনৰ বিষয়ে অজ্ঞাত আছিল। নথিখনত এটা টোকা আছিল য'ত লিখা আছিল যে তৃতীয় পুত্ৰ পোহলোৱে নিজৰ ভাতৃসকলৰ সপক্ষে পূৰ্বপুৰুষৰ সম্পত্তিৰ অংশ ত্যাগ কৰিছিল। বাদীয়ে Appeal Memorandum ৰ সৈতে নথিখনৰ প্ৰতিলিপি দাখিল কৰে। বিবাদীসকলে স্বাভাৱিকতে অতিৰিক্ত প্ৰমাণ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত আপীলৰ বিৰোধিতা কৰিছিল আৰু যুক্তি দিছিল যে বাদীয়ে সম্পত্তিটো পূৰ্বপুৰুষৰ হোৱাৰ সন্দৰ্ভত নিম্ন আদালতত বিচাৰৰ সময়ত সকলো প্ৰমাণ দাখিল কৰাৰ যথেষ্ট সুযোগ পাইছিল আৰু তেওঁ এতিয়া নিৰ্ভৰ কৰা নথিখনৰ প্ৰৱেশতো ভুৱা যেন লাগিছে। জিলা ন্যায়াধীশে মূল আপীলৰ লগতে এই আবেদনখন শুনানিৰ বাবে বিবেচনা কৰিছিল। ১৯৪২ চনৰ ১৭ মাৰ্চত মূল

আবেদনৰ শুনানিৰ পূৰ্বে জিলা ন্যায়াধীশে আবেদনৰ অনুমতি দিছিল। ১৮৪৯-৫০ চনত প্ৰস্তুত কৰা " নক্সা কামী বাছি" আৰু ১৮৫২ চনত প্ৰস্তুত কৰা "মুন্তখিব আছামী-ৱাৰ" ত কোৱা হৈছিল যে পহলোৱে পূৰ্বপুৰুষৰ সম্পত্তিত নিজৰ অংশ এৰি দিছিল। এই নথি-পত্ৰত পোৱা দুটা প্ৰৱেশৰ কথা উল্লেখ কৰি জিলা ন্যায়াধীশে লক্ষ্য কৰিছিল যে "প্ৰমাণিত হোৱা বুলি দুয়োটা প্ৰৱেশকে গণ্য কৰি যদি  দুয়োটা প্ৰৱেশকে একেলগে বিবেচনা কৰা হয়, তেন্তে আদালতে ন্যায্য সিদ্ধান্তত উপনীত হোৱাত সহজ হ'ব। মই ভাবো যে অতিৰিক্ত প্ৰমাণ অন্তৰ্ভুক্তিৰ অনুমতি দিয়াটো ন্যায়ৰ স্বাৰ্থত প্ৰয়োজনীয় আছিল। এই ক্ষেত্ৰত মই দেৱানী কাৰ্য্যবিধিৰ অৰ্ডাৰ এক্সএলআই, ৰুল ২৭ (১) উদ্‌ধৃতি দিছো । এই অতিৰিক্ত প্ৰমাণে নিম্ন আদালতৰ ৰায়দানত আঙুলিয়াই দিয়া এটা ত্ৰুটি শুধৰোৱাৰ ক্ষেত্ৰত তথ্য প্ৰদান কৰিব যিটো হ'ল কি পৰিস্থিতিত ছেহজা সিঙৰ দুজন পুত্ৰই, তেওঁলোকৰ তৃতীয় ভাতৃৰ উপস্থিতিত, পট্টৰ কলনত সমান অংশৰ মাটিৰ মালিক হ'ল। জিলা ন্যায়াধীশে দুয়োপক্ষকে উল্লেখিত নথি দুখনৰ সন্দৰ্ভত প্ৰমাণ দাখিল কৰিবলৈ অনুমতি দিয়ে। আপীলকাৰীৰ পক্ষৰ দুজন সাক্ষীক আদালতত সোধ-পোচ কৰা হৈছিল। জুলুণ্ডুৰ চহৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ কেৰাণী মুন্সী পীৰ্থি নাথে ১৮৪৯-৫০ চনৰ জৰিপৰ সময়ত প্ৰস্তুত কৰা পট্টৰ কালান গাঁওখনৰ সম্পত্তিৰ অধিকাৰ সম্পৰ্কীয় নথি লৈ আহিছিল। অফিচ কানুংগো হিচাপে কাৰ্যনিৰ্বাহ কৰা মুন্সী নিয়াজ আহমেদে জুল্লুন্দুৰৰ তাহচিল কাৰ্যালয়ত ৰখা অধিকাৰৰ সামগ্ৰিক ৰেকৰ্ডৰ পৰা মুন্টাখিব আসামী-ৱাৰ ৰেকৰ্ড আনিছিল।

দুয়োজনে পঞ্জীসমূহত পোৱা প্ৰাসংগিক প্ৰৱেশৰ বিষয়ে সাক্ষ্য দিছিল।

জিলা ন্যায়াধীশে নিম্ন আদালতৰ ন্যায়াধীশৰ ৰায়ৰ সম্পূৰ্ণ বিপৰিতে, দাখিল কৰা নতুন প্ৰমাণৰ ভিত্তিত, বাদীৰ সপক্ষে ডিক্রি জাৰি কৰিছিল। ন্যায়াধীশে নিৰ্ধাৰণ কৰিছিল যে আপিলকাৰীৰ হৈ দিয়া তথ্য সত্য তথা ভুৱা নহয় আৰু যিহেতু পোহলোৱে নিজৰ অংশ এৰি দিছিল, সেয়েহে মৌজা পট্টৰ কালানৰ মাটিখিনি বাদীজনৰ পূৰ্বপুৰুষৰ আছিল। ইয়াৰ উপৰিও ন্যায়াধীশগৰাকীয়ে এই সিদ্ধান্তত উপনীত হয় যে এই গোচৰটো ভাৰতীয় পৰিসীমা আইনৰ ১২০ নং অনুচ্ছেদত উল্লেখ কৰা আইনী সময়সীমা মানি চলা হেতুকে তামাদি দোষেৰে দোষীত নহয়, কিন্তু দ্বিতীয় বিবাদীয়ে তেওঁক তুলি লোৱা হৈছিল বুলি কৰা দাবীক তেওঁ মিছা বুলি নাকচ কৰে। যিহেতু জিলাখনৰ স্থানীয় প্ৰথাই সম্পত্তিৰ মালিকক তেওঁলোকৰ সম্পত্তিৰ কোনো অংশ উইলৰ জৰিয়তে বিতৰণ কৰিবলৈ অনুমতি দিয়া নাছিল, সেয়া উত্তৰাধিকাৰী সূত্ৰে হওক বা ব্যক্তিগতভাৱে আহৰণ কৰাই হওক, বিজ্ঞ ন্যায়াধীশৰ মতে বাদীয়ে উইলখনক প্ৰত্যাহ্বান জনোৱাৰ অধিকাৰ আছে। ন্যায়াধীশে সমগ্ৰ গোচৰটোত বাদীজনৰ পক্ষত ৰায় দি তেওঁলোকক সকলো বিবাদিত মাটিৰ মালিকীস্বত্ব প্ৰদান কৰে যাৰ ভিতৰত কদ্দুৱাল গাঁৱৰ মাটি, যিবোৰ পূৰ্বপুৰুষৰ নাছিল, আৰু পট্টৰ কলনৰ এটা নিৰ্দিষ্ট অঞ্চল আছিল য'ত মুঠ ৪ বিঘা আৰু ১৬ বিশ্বাস মাটি আছিল যিবোৰ সম্পত্তিৰ অধিকাৰ সম্পৰ্কীয় নথি অনুসৰি যোধা সিং আৰু জয় সিঙৰ দখলত নাছিল যদিও তৃতীয় পক্ষৰ হাতত আছিল।

দ্বিতীয়জন বিবাদি কৰ্টাৰ সিঙে বিষয়টোৰ ওপৰত উচ্চ ন্যায়ালয়ত দ্বিতীয় আপীল কৰে। উচ্চ ন্যায়ালয়ৰ বিজ্ঞ ন্যায়াধীশসকলে এই সিদ্ধান্তত উপনীত হয় যে পট্টৰ কলনৰ মাটিখিনি পূৰ্বপুৰুষৰ বুলি কোনো প্ৰমাণ নাই আৰু

তেওঁলোকে মত পোষণ কৰে যে জিলা ন্যায়াধীশে নক্সা কামি বাছি আৰু মুন্তখিব আসামী-ৱাৰ ৰূপত অতিৰিক্ত প্ৰমাণ গ্ৰহণ কৰাৰ সিদ্ধান্ত নায্য নাছিল। ইয়াৰ উপৰিও তেওঁলোকে আঙুলিয়াই দিয়ে যে মূল নথি-পত্ৰসমূহ নৈমিত্তিকভাৱে পৰীক্ষা কৰিলেও এইটো দৃঢ়ভাৱে প্ৰকাশ হয় যে পহলোৱে নিজৰ অংশ এৰি দিয়াৰ উল্লেখ পিছত সংযোগ কৰা হৈছিল। গতিকে, তেওঁলোকে এই সিদ্ধান্তত উপনীত হ'ল যে পট্টৰ কলনৰ সমগ্ৰ মাটিয়েই পূৰ্বপুৰুষৰ নাছিল আৰু ১৯২০ চনৰ দ্বিতীয় আইনৰ ধাৰা ৭ অনুসৰি, হস্তান্তৰ প্ৰতিষ্ঠিত প্ৰথাৰ বিৰুদ্ধে বুলি যুক্তিৰ ভিত্তিত অপূৰ্বপুৰুষৰ সম্পত্তি হস্তান্তৰক প্ৰত্যাহ্বান জনোৱাৰ কৰ্তৃত্ব কাৰো নাই বাবে সমগ্ৰ গোচৰটো নাকচ কৰিব লাগিছিল। সেয়েহে গোচৰটোত আন কোনো বিষয়ৰ সিদ্ধান্ত ল'বলগীয়া নাছিল। তথাপিও মহামহিম কাউন্সিলৰ ওচৰত আবেদন কৰাৰ অনুমতি দিয়া হৈছিল আৰু সেইবাবেই এই আপীল বৰ্তমান বিবেচনাধীন।

আপীলকাৰীৰ বিদ্বান অধিবক্তাই দৃঢ়ভাবে যুক্তি প্ৰদৰ্শন কৰিছিল যে জিলা ন্যায়াধীশে অতিৰিক্ত প্ৰমাণৰ অনুমতি দিয়াৰ সিদ্ধান্তত উচ্চ ন্যায়ালয়ে হস্তক্ষেপ কৰা উচিত নাছিল। তেওঁ লগতে কয় যে ভুল সিদ্ধান্ত হ'লেও ইয়াক চূড়ান্ত বুলি গণ্য কৰা উচিত কাৰণ দেৱানী কাৰ্য্যবিধিৰ ১০০ নং ধাৰাত নিৰ্দিষ্ট কাৰণৰ ভিত্তিতহে দ্বিতীয় আপীলৰ অনুমতি দিয়া হৈছে। অৱশ্যে এই যুক্তিৰ এটা ত্ৰুটি আছে। অতিৰিক্ত প্ৰমাণ গ্ৰহণ কৰাৰ কৰ্তৃত্ব চৰম নহয় ন্যায়িক হ'ব লাগিব যিটো দেৱানী কাৰ্য্যবিধিৰ অৰ্ডাৰ XLJ, ৰুল ২৭ত উল্লেখ কৰা চৰ্তসমূহৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। প্ৰতিষ্ঠিত নীতিৰ বিৰুদ্ধে অতিৰিক্ত প্ৰমাণৰ অনুমতি দিয়াটো বিবেচনাৰ অধিকাৰৰ অনুচিত ব্যৱহাৰ হ'ব। এনে ক্ষেত্ৰত অতিৰিক্ত প্ৰমাণক অৱজ্ঞা কৰিব

লাগিব আৰু গোচৰটো এনেদৰে সমাধান কৰিব লাগে যেন সেই প্ৰমাণ কেতিয়াও নাছিল। অৰ্ডাৰ এক্সএলআই, ৰুল ২৭ অনুসৰি ৰায়দানৰ বাবে প্ৰয়োজনীয় প্ৰমাণ দাবী কৰাৰ দায়িত্ব আপীল আদালতৰ ওপৰত ন্যস্ত। প্ৰাইভি কাউন্সিলে কেছ’জী ইছুৰ বনাম জি আই পি ৰেলৱেৰ গোচৰত মত পোষণ কৰিছিল যে অতিৰিক্ত প্ৰমাণৰ অনুমতি দিয়াৰ বৈধ কাৰণ থাকিব লাগিব আৰু বৰ্তমানৰ প্ৰমাণত কোনো অন্তৰ্নিহিত ব্যৱধান বা ত্ৰুটি লক্ষ্য কৰিলেহে নিয়মটো (অৰ্ডাৰ এক্সএলআই, নিয়ম ২৭) উপযুক্তভাৱে প্ৰয়োগ কৰা হয়। কিন্তু যেতিয়া আইনী প্ৰক্ৰিয়াৰ উৰ্ধত বাহ্যিকভাৱে নতুন প্ৰমাণ পোৱা যায় আৰু ইয়াক অন্তৰ্ভুক্তিৰ বাবে অনুৰোধ কৰা হয় তেতিয়া ইয়াক আদালতে বিবেচনা নকৰে। প্ৰিভি কাউন্সিলে পৰৱৰ্তী সময়ত পাৰ্চোতিম বনাম লাল মোহন নামৰ গোচৰত এই দৃষ্টিভংগীৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে এই ক্ষেত্ৰত আপীল আদালতে যিটো প্ৰকৃত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল সেইটো হ'ল- গোচৰত উপলব্ধ সমলৰ ওপৰত ভিত্তি কৰি তথা নতুনকৈ দিব খোজা সাক্ষ্যৰ বিবেচনা নকৰাকৈ ৰায় প্ৰদান কৰিব পৰা যাব নে নাই।

বৰ্তমানৰ গোচৰটোত এনে কোনো অসম্পূৰ্ণ প্ৰমাণ বা তথ্য নাছিল যাৰ বাবে অতিৰিক্ত প্ৰমাণৰ প্ৰয়োজন হৈছিল। আপীল আদালতে ৰায়দান কৰিবলৈ অতিৰিক্ত প্ৰমাণ বিচৰাৰ কোনো বাধ্যতামূলক কাৰণ নাছিল। অৰ্থাৎ প্ৰথমবাৰৰ বাবে তেওঁৰ সন্‌মুখত উপস্থাপন কৰিব বিচৰা জৰিপ ৰেজিষ্টাৰৰ কপি অবিহনে জিলা ন্যায়াধীশে সিদ্ধান্ত ল’ব নোৱাৰিব বুলি অনুভৱ কৰা বুলি কোনো ইংগিত বা বক্তব্য নাই। ইয়াৰ বিপৰীতে জিলা ন্যায়াধীশে আপীল শুনানিৰ পূৰ্বেই কামি বেছি আৰু মুন্টাখিব আসামী-ৱাৰৰ পঞ্জীৰ প্ৰমাণিত কপি গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ১৯৪২ চনৰ ১৭ মাৰ্চ তাৰিখে

আপীলকাৰীক অতিৰিক্ত প্ৰমাণ দাখিল কৰিবলৈ অনুমতি প্ৰদান কৰি আদেশ দিয়া হৈছিল। ১৯৪২ চনৰ ২৪ এপ্ৰিলত এই আপীলৰ শুনানি গ্ৰহণ কৰা হয়। ইতিমধ্যে উপলব্ধ প্ৰমাণসমূহ আদালতে সম্পূৰ্ণৰূপে পৰ্যালোচনা কৰা নাছিল আৰু সিদ্ধান্ত লৈছিল যে সম্পূৰ্ণ প্ৰমাণ বা তথ্য অভাৱৰ বাবে অতিৰিক্ত প্ৰমাণৰ প্ৰয়োজন। এই পৰিস্থিতিত উচ্চ ন্যায়ালয়ৰ বিদ্বান ন্যায়াধীশসকলে এইটো মত পোষণ কৰাটো সঠিক আছিল যে জিলা ন্যায়াধীশে অৰ্ডাৰ এক্সএলআই, ৰুল ২৭ৰ অধীনত এই সাক্ষ্যপ্ৰমাণক অনুমতি দিয়াটো ন্যায্য নহয়।

অতিৰিক্ত প্ৰমাণ দিয়াটো গ্ৰহণযোগ্য বুলি সহমতত উপনীত হ'লেও, ন্যায়াধীশে জৰিপ ৰেজিষ্টাৰত লিপিবদ্ধ কৰা প্ৰবেশসমূহৰ অন্তৰ্নিহিত দুৰ্বলতাসমূহ/ ক্ৰুটিসমূহ (যিবোৰৰ ওপৰত আপীলকাৰীয়ে নিৰ্ভৰ কৰিছিল) আৰু এইবোৰ প্ৰৱেশৰ/ তথ্যৰ বিৰুদ্ধে উত্থাপন হ'ব পৰা বিভিন্ন বৈধ সমালোচনাই সেইবোৰ ভুৱা হ'ব পাৰে বুলি যে ইংগিত দিব পাৰে, সেইয়া ভালদৰে পৰীক্ষা কৰা নাছিল। জিলা ন্যায়াধীশে প্ৰৱেশসমূহ সঁচা বুলি গ্ৰহণ কৰিছিল। প্ৰৱেশসমূহ প্ৰকৃত আৰু ভুৱা নহয় বুলি বিবেচনা কৰাৰ বাবে ন্যায়াধীশে দিয়া একমাত্ৰ ব্যাখ্যাটো হ'ল ৰেকৰ্ডসমূহ ধাৰাবাহিকভাৱে সঠিক আৰু নিৰাপদ ঠাইত ৰখা হৈছিল। যথোপযুক্তভাৱে মনোযোগ নিদিয়াকৈ দিয়া এই মন্তব্যৰ বিপৰীতে আমি উচ্চ ন্যায়ালয়ৰ বিজ্ঞ ন্যায়াধীশসকলে কৰা পৰ্যবেক্ষণসমূহ বিবেচনা কৰাটো প্ৰয়োজন:

"মূল নথিপত্ৰসমূহলৈ এবাৰ চকু ফুৰালেই এই বিশেষ প্ৰৱেশটো পিছত স্ংযোগ কৰা হৈছে বুলি দৃঢ়ভাৱে অনুমান কৰিব পাৰি। নক্সা কামি বেছিত ইতিমধ্যে সংশ্লিষ্ট স্তম্ভত এটা টোকা আছিল। কিন্তু উল্লেখ কৰা নিৰ্দিষ্ট

মন্তব্যটোক আচৰিতভাৱে বেলেগ কলম আৰু চিয়াঁহীৰে যোগ কৰা হৈছে। মন্তব্যটো ইমানেই অস্পষ্ট যে পঢ়িবলৈয়ে টান।জোধা আৰু জয় সিঙৰ নামদুটা আন কেইটামান স্থানত পোৱাৰ পিছতো তেওঁলোকৰ বিৰুদ্ধে একেধৰণৰ মন্তব্য নাই। ইয়াৰ উপৰিও মন কৰিবলগীয়া যে মুন্টাখিব আচামি ৱাৰত শাৰহ লাগনৰ স্তম্ভত আনুষংগিক মন্তব্য এটা থাকিলেও, যিটো তাহচিল কাৰ্যালয়ত ৰখা কপিটোত সঠিক ঠাইৰ বাহিৰত থকা যেন লাগে, গুৰুত্বপূৰ্ণ কথাটো হ'ল যে সদৰ কাৰ্যালয়ত সংৰক্ষিত কপিটোত এই মন্তব্য নাই৷ আন কাৰকসমূহ বিবেচনা কৰিলেও এই নিৰ্দিষ্ট স্তম্ভত এনে এটা মন্তব্য ৰখাৰ যুক্তিসংগত কোনো কাৰণ দেখা নাযায়। যি ধৰণে এই প্ৰৱেশসমূহ উদ্ধাৰ হোৱা বুলি দাবী কৰা হৈছে, তাৰে সত্যতাক লৈ যথেষ্ট সন্দেহৰ সৃষ্টি হয়।”

বিজ্ঞ ন্যায়াধীশসকলে কৰা পৰ্যবেক্ষণসমূহৰ সৈতে আমি সম্পূৰ্ণৰূপে একমত।এইটো সঁচা যে প্ৰতিষ্ঠিত তথ্যৰ ওপৰত ভিত্তি কৰি লোৱা সিদ্ধান্ত ভুল হ'লেও দ্বিতীয় আপীলত সেইয়া প্ৰত্যাহ্ৰ্বান জনাব নোৱাৰি। কিন্তু যদি কোনো সিদ্ধান্ত নতুন আৰু অতিৰিক্ত প্ৰমাণৰ ওপৰত ভিত্তি কৰি দিয়া হয় (যিবোৰ অনুমতি দিব নালাগিছিল) আৰু প্ৰৱেশৰ প্ৰকৃতিৰ স্পষ্ট ত্ৰুটিসমূহৰ সমাধান নকৰাকৈয়ে সিদ্ধান্তত উপনীত হোৱা যায়, যিয়ে ইয়াৰ সত্যতাক লৈ গুৰুতৰ সন্দেহৰ সৃষ্টি কৰে, তেন্তে এনে তথ্যৰ ওপৰত ভিত্তি কৰি দ্বিতীয় আপীলত নিৰ্ণায়ক সিদ্ধান্ত ল'ব পৰা নাযায়।

অতিৰিক্ত প্ৰমাণ বিবেচনা নকৰিলে আপীলকাৰীয়ে তেওঁলোকে গোচৰৰ দিয়া যুক্তিৰ ক্ষেত্ৰত বিশেষ সমৰ্থন লাভ নকৰে। মৌজা পট্টৰ কালানত থকা সম্পত্তিবোৰ উমৈহতীয়া পূৰ্বপুৰুষ ছেহজা সিঙৰ মালিকানাধীন আছিল বুলি কোনো প্ৰমাণ নাই, যিবোৰ সম্পত্তি পিছলৈ দুজন পুত্ৰৰ নামত সমানভাৱে

বিতৰণ হৈ থকা দেখা যায় আৰু য'ত তৃতীয় পুত্ৰ পহলোৰ কোনো উল্লেখ নাই। আচলতে বংশবৃক্ষই হামিৰা নামৰ চতুৰ্থ পুত্ৰৰ অস্তিত্বৰ প্ৰমাণ দিয়ে। যদিহে মাটিখিনি সকলো পুত্ৰৰ নামতে সমানভাৱে বিতৰণ হৈ আছে বুলি পঞ্জীত লিপিবদ্ধ কৰা হ'লহেঁতেন, তেন্তে বাদীয়ে দাবী কৰা মতে সম্পত্তিটো সঁচাকৈয়ে পূৰ্বপুৰুষৰ বুলি ধৰি লোৱাৰ এটা দুৰ্বল ভিত্তি থাকিলেহেঁতেন। এই মাটিখিনিৰ ক্ষেত্ৰত পূৰ্বপুৰুষৰ মালিকীস্বত্বৰ কোনো প্ৰমাণ নাই আৰু তেওঁৰ পুত্ৰসকলেও যে তেওঁৰ পৰা উত্তৰাধিকাৰী সূত্ৰে সমানে মাটিৰ অংশ লাভ কৰিছিল, তাৰও কোনো প্ৰমাণ নাই।

জিলা ন্যায়াধীশজনে স্পষ্টভাৱে ভুল কৰিছিল কাৰণ প্ৰশ্ন কৰা মাটিখিনি পূৰ্বপুৰুষৰ নহয় বুলি স্বীকাৰ কৰাৰ স্বত্বেও তেওঁ বংশৰ দাবীৰ ভিত্তিত বাদীক মাটি প্ৰদান কৰিবলৈ ৰায়দান কৰিছিল আৰু ২৪০৮ নং খছৰাত ৪ বিঘা আৰু ১৬ বিশ্বাস জোখৰ এই মাটিখিনি, পুত্ৰ জোধা সিং আৰু জয় সিংহ দুজনৰ দখলত নথকা স্বত্বেও বাদীজনৰ সপক্ষে প্ৰদান কৰা ৰায়দানত অন্তৰ্ভুক্ত কৰিছিল। ন্যায়াধীশগৰাকীয়ে এই মত পোষণ কৰি ভুল কৰিছিল যে সম্পত্তি পূৰ্বপুৰুষৰ হওক বা স্ব-অধিগ্ৰহণৰ জৰিয়তে লাভ কৰাই হওক, পক্ষসমূহক নিয়ন্ত্ৰণ কৰা প্ৰথাগত আইনখনে সম্পত্তিৰ মালিকক সম্পত্তিৰ কোনো অংশ উইলৰ জৰিয়তে বিতৰণ কৰিবলৈ অনুমতি নিদিয়ে। এই বক্তব্যই ১৯২০ চনৰ পঞ্জাৱ আইন ॥ ৰ ৭ নং ধাৰাৰ বিৰোধিতা কৰে, য'ত স্পষ্টভাৱে কোৱা হৈছে যে, ১৮৭২ চনৰ পঞ্জাৱ আইন আইনৰ ৫ নং ধাৰা যিয়েই নহওক কিয়, প্ৰথাগত ৰীতি-নীতি বিৰুদ্ধ বুলি কোনোৱেই পূৰ্বপুৰুষ সূত্ৰে লাভ নকৰা স্থাৱৰ সম্পত্তি হস্তান্তৰ বা সেই ক্ষেত্ৰত উত্তৰাধিকাৰীৰ নিযুক্তিক প্ৰত্যাহ্বান জনাব নোৱাৰে।

এই আবেদনত বিবেচনা কৰিবলগীয়া আন কোনো বিষয় বা যুক্তি নাই। এই আবেদন সফল হোৱা নাই আৰু খাৰিজ কৰা হৈছে। আপীলকাৰীয়ে সকলো আদালতৰ ক্ষেত্ৰ্ত বিবাদীয়ে কৰা আইনী খৰচ পৰিশোধ কৰিব লাগিব।

আপীল খাৰিজ কৰা হ'ল।

আপীলকাৰীক প্ৰতিনিধিত্ব কৰে : গণপত ৰায়।

বিবাদীক প্ৰতিনিধিত্ব কৰে : এছ পি ভাৰ্মা।

অনুবাদক:

মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়